**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-March-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। কাৰ্বি আংলঙত ছুখয় 30 যুঁজাৰু বিমান দুৰ্ঘটনাত পতিত। বায়ুসেনাৰ সন্ধান অভিযান অব্যাহত।

২। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি। শাসনাধিষ্ঠিত বিজেপিৰ বি পি এফ আৰু অগপৰে নিৰ্বাচনী মিত্ৰতা।

৩। ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিনা ৰাজ্যৰ ৩ খন আসনৰ বাবে এন ডি এ মিত্ৰজোঁটৰ ৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

৪। নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয়  মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৱাহাটীত ব্ৰহ্মপুত্ৰ আলোকস্তম্ভৰ আধাৰশিলা স্থাপন।

**আৰু**

৫। ইংলেণ্ডক পৰাস্ত কৰি ভাৰতৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ চকিহোলা থানাৰ অন্তৰ্গত ইংলং ইকপি পাহাৰত কালি সন্ধিয়া ছুখয় 30 MKI শ্ৰেণীৰ এখন যুঁজাৰু বিমান দুৰ্ঘটনাত পতিত হৈছে। স্থানীয় লোকে সন্ধিয়া বিমানখন থকা পাইলট দুগৰাকীৰ সন্ধান অভিযান এতিয়াও অব্যাহত আছে। ভাৰতীয় বায়ুসেনা বাহিনীয়ে তেওঁলোকৰ X হেণ্ডেল যোগে কালি সন্ধিয়া ৭ বাজি ৪২ মিনিটৰ পৰা যুঁজাৰু বিমানখনৰ সৈতে ৰাডাৰৰ যোগাযোগ বিচ্ছিন্ন হোৱা বুলি সদৰী কৰি উদ্ধাৰ অভিযান আৰম্ভ কৰাৰ কথা প্ৰকাশ কৰিছে। অৱশ্যে এই দূৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত এতিয়াও সবিশেষ কোনো তথ্য লাভ কৰিব পৰা হোৱা নাই। পাহাৰত খুন্দা মৰাৰ ফলতেই বিমানখন দূৰ্ঘটনাত পতিত হয় বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে।

এই সন্দৰ্ভত আমাৰ কাৰ্বি আংলঙৰ সংবাদদাতা কাংবুঢ়া ছিংনাৰে এইদৰে কয়—

*-বাইট-*

যোৰহাটৰ বায়ুসেনা বাহিনীৰ পৰা ৫ খন এম্বুলেন্সসহ এটা দল ইতিমধ্যে ঘটনাস্থলীলৈ ৰাওনা হৈছে। ঘটনাৰ পাছতেই বায়ুসেনা ঘাটিত বিশেষ সতৰ্কতা জাৰি কৰা হৈছে।

০০০০০০

নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা নাই যদিও প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি কৰিছে। বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত কালি এটা যোগদান কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিপিএফ আৰু অসম গণ পৰিষদৰ সৈতে নিৰ্বাচন কেন্দ্ৰিক মিত্ৰতাৰ বিষয়ে সদৰি

কৰে। তেওঁ দুয়োটা ৰাজনৈতিক দলৰ সৈতে মিত্ৰতাৰ বিষয়টোত ৰাষ্ট্ৰীয় নেতৃত্বৰ অনুমোদন লাভ কৰাৰ পাছত এই সন্দৰ্ভত চূড়ান্ত ঘোষণা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে বকো, দুধনৈ আৰু গোৱালপাৰা পশ্চিম সমষ্টিৰ বাবে ৰাভা যৌথ সংগ্ৰামী মঞ্চৰ সৈতেও মিত্ৰতাৰ সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ কয়।

নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত কংগ্ৰেছ দলৰ তিনিগৰাকী বিধায়কে কালি বিজেপিত যোগদান কৰে। বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে অন্যান্য শীৰ্ষ নেতাৰ উপস্থিতিত ৰহাৰ বিধায়ক শশীকান্ত দাস, মংগলদৈৰ বিধায়ক বসন্ত দাস আৰু উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই দলটোত যোগ দিয়ে।

নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে দলটোৱে কালি ধেমাজিৰ পৰা জোনাইলৈ আয়োজন কৰা **জন আশীৰ্বাদ** যাত্ৰাত দলটোৰ জ্যেষ্ঠ নেতা মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণ কৰে। এই যাত্ৰাত মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সাংসদ প্ৰদান বৰুৱায়ো ভাগ লয়।

উল্লেখযোগ্য যে বিৰোধী দল কংগ্ৰেছৰ লগতে ৰাইজৰ দলে ইতিমধ্যে এখনকৈ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। কংগ্ৰেছ দলে ৪২ গৰাকী আৰু ৰাইজৰ দলে ১১ গৰাকী প্ৰাৰ্থীৰে প্ৰথমখন তালিকা ঘোষণা কৰিছে।

oooooo

ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ কালি অন্তিম দিনা অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ বাবে এন ডি এ মিত্ৰজোঁটৰ ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিজেপিৰ তেৰছ গোৱালা, যোগেন মহন আৰু ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। তিনিওগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ সম্ভাৱনা আছে। এতিয়ালৈকে বিৰোধী পক্ষৰ কোনো সদস্যই মনোনয়ন দাখিল কৰা নাই।

উল্লেখযোগ্য যে ১৬ মাৰ্চত অসমসহ অন্যান্য ৰাজ্যত খালী হ'বলগীয়া ৰাজ্যসভাৰ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে নতুন ৰাজ্যপাল আৰু উপ-ৰাজ্যপাল নিয়োগ কৰিছে। হিমাচল প্ৰদেশৰ ৰাজ্যপাল শিৱপ্ৰতাপ শুক্লাক তেলেংগানাৰ ৰাজ্যপাল হিচাপে নিয়োগ কৰা হৈছে। তেলেংগানাৰ ৰাজ্যপাল জিষ্ণু দেৱ বৰ্মাক মহাৰাষ্ট্ৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। বিহাৰ বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ নন্দ কিশোৰ যাদৱক নাগালেণ্ডৰ আৰু  অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল অতা হছনেইনক বিহাৰৰ ৰাজ্যপাল হিচাপে নিয়োগ কৰা হৈছে। একেদৰে তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবিক পশ্চিমবংগৰ ৰাজ্যপাল হিচাপে দায়িত্ব অৰ্পন কৰা হৈছে। কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক তামিলনাডুৰ ৰাজ্যপাল হিচাপে আৰু লাডাখৰ উপ-ৰাজ্যপাল কবিন্দৰ গুপ্তাক হিমাচলপ্ৰদেশৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাকছেনাক লাডাখৰ উপ-ৰাজ্যপালৰ দায়িত্ব দিয়া হৈছে। প্ৰাক্তন কূটনীতিবিদ তৰণজিৎ সিং সান্ধুক দিল্লীৰ উপ-ৰাজ্যপালৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ৰাষ্ট্ৰপতিয়ে পশ্চিমবংগৰ ৰাজ্যপাল ড০ চিভি আনন্দ বসুৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে।

oooooo

নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীৰ লাচিতঘাটত ব্ৰহ্মপুত্ৰ আলোকস্তম্ভৰ আধাৰশিলা স্থাপন কৰে।

দেশৰ আভ্যন্তৰীণ জল পৰিবহণৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰি প্ৰথমবাৰৰ বাবে কোনো নদীপথত এনে আলোকস্তম্ভ নিৰ্মাণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ব্ৰহ্মপুত্ৰ আলোকস্তম্ভ মুঠ চাৰিখন ঠাইত নিৰ্মাণ কৰা হ'ব। বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটত মুঠ ৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই আলোকস্তম্ভসমূহে ব্ৰহ্মপুত্ৰৰ জলভাগেৰে সুৰক্ষিত আৰু নিৰৱচ্ছিন্ন জাহাজ চলাচল, ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, প্ৰমোদতৰী, পৰ্যটন তথা থলুৱা উদ্যমিতাৰ প্ৰসাৰ আৰু কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ব্ৰহ্মপুত্ৰক পূৰ্ণাংগ মালবাহী কৰিডৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

*(বাইট ঃ সৰ্বানন্দ)*

এই প্ৰত্যেকটো আলোকস্তম্ভৰ উচ্চতা প্ৰায় ২০ মিটাৰ হ'ব। ইয়াৰ ভৌগোলিক পৰিসীমা ১৪ নটিকেল মাইল আৰু আলোক পৰিসীমা ৮ৰ পৰা ১০ নটিকেল মাইল হ'ব। সম্পূৰ্ণ সৌৰ শক্তিৰে চলিবলগীয়া এই আলোকস্তম্ভ সমূহৰ লগতে প্ৰতিটো স্থানত সংগ্ৰহালয়, মুকলি মঞ্চ, কেফেটেৰিয়া, শিশুসকলৰ বাবে খেলৰ স্থান আৰু সেউজ পৰিসৰ গঢ়ি তোলা হ'ব। ইয়াৰ ফলত আলোকস্তম্ভসমূহে জলপথ সুৰক্ষাৰ লগতে পৰ্যটনৰ দিশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই পদক্ষেপ ৰাজ্যখনৰ বাবে এটা গৌৰৱৰ মুহূৰ্ত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বহনক্ষম অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি বুলি মন্তব্য কৰে।

০০০০০০

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ পাঁচ দিনীয়া দৌল মহোৎসৱৰ আজি সামৰণি পৰিব। বৰপেটা সত্ৰৰ লগতে জিলাখনৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো আয়োজন কৰা দৌল মহোৎসৱৰো আজি সামৰণি পৰিব। দুই মাৰ্চৰ সন্ধিয়া গন্ধযাত্ৰাৰে আৰম্ভ হোৱা এই উৎসৱৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বৈষ্ণৱ সংস্কৃতিৰ অন্যতম প্ৰাণ কেন্দ্ৰ বৰপেটা জিলাৰ আকাশ-বতাহ কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে মুখৰ হৈ উঠে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাতো গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা দৌল উৎসৱৰো আজি সামৰণি পৰিব।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰতো দুই মাৰ্চৰ সন্ধিয়া মেষদাহ পৰ্বৰে আৰম্ভ হোৱা দৌল উৎসৱৰ আজি অন্তিম দিন।

ফল্গুৎসৱৰ পাঁচ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে গোৱালপাৰা জিলাৰো বিভিন্ন ঠাইত কালি বিয়লি পৰম্পৰাগত ৰীতি-নীতিৰে সুৱেৰী উৎসৱ পালন কৰা হয়। দৌল উৎসৱৰ অংশ হিচাপে পালন কৰা এই উৎসৱত বিভিন্ন ঠাইৰ পৰা কলিয়া গোসাঁইক আনি এটা নিৰ্দিষ্ট স্থানত ৰখা হয় আৰু নাম প্ৰসংগৰ জৰিয়তে গোসাঁইৰ আশীষ লোৱা হয়। এই উৎসৱত সকলোৱে এজন আনজনক ফাকু ছটিয়াই দুখ-বেদনা দূৰ হোৱাৰ কামনা কৰে। জিলাখনৰ বগুৱান, টিলাপাৰা, বাপুজীনগৰ আদি ঠাইত সুৱেৰী উৎসৱত সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ নিশা আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই মনৰ ভাব প্ৰকাশ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

ভাৰতে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন চেমিফাইনেলত ইংলেণ্ডক ৭ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে ২৫৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ জেকব বেথলে ৪৮ টা বলত ১০৫ ৰান কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ২০ অভাৰত ৭ টা উইকেটৰ বিনিময়ত ২৫৩ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৪২ টা বলত ৮৯ ৰান কৰে। শিৱম ডুবেই ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। সঞ্জু ছেমছনক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত প্ৰৱেশ কৰাৰ বাবে ভাৰতীয় দলক অভিনন্দন জনাইছে। শ্ৰী শ্বাহে সামাজিক মাধ্যমৰ এটা পোষ্টত চেমিফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ জয় অভূতপূৰ্ব বুলি অভিহিত কৰিছে। তেওঁ কয়, যে দলৰ দৃঢ়তা আৰু পৰিশ্ৰম সঁচাকৈ উল্লেখনীয়। তেওঁ লগতে ফাইনেলৰ বাবে ভাৰতীয় দলক শুভেচ্ছা জ্ঞাপন কৰিছে।

oooooo

## News Paper Review

নিৰ্বাচনৰ প্ৰাকক্ষণক দল সলনি তুংগত, অগপ-বিপিএফৰে বিজেপিৰ মিত্ৰতা চূড়ান্ত, বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী যোগেন মহন-তেৰছ গোৱালা-প্ৰমোদ বড়ো, নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰশাসনত ব্যাপক ৰদ-বদলেৰে একেদিনাই ৭ খন জিলাত নতুন আয়ুক্ত নিযুক্তি আদি বিভিন্ন বাতৰিয়ে আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

যোৰহাটৰ ভাৰতীয় বায়ুসেনা বাহিনীৰ ছাউনীৰ পৰা উৰা মৰা এখন ছুখই এছ ইউ ৩০ এম কে আই যুদ্ধ বিমান কালি সন্ধিয়া কাৰ্বি আংলং জিলাৰ চকীহোলা অঞ্চলৰ গভীৰ অৰণ্যত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ বাতৰিটো আজি প্ৰকাশিত **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি হিচাপে পৰিৱেশন কৰিছে।

নতুন শৈক্ষিক বৰ্ষত নৱম-দশম শ্ৰেণীৰ ১০ খনকৈ পাঠ্যপুথিৰ সালসলনি কৰাৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে দিয়া নিৰ্দেশনাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত বিশেষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে ধেমাজি-চিচিবৰগাঁও-জোনাইত আশীৰ্বাদ যাত্ৰাত জনসমুদ্ৰৰ উছাহ। মুখ্যমন্ত্ৰীক লক্ষাধিকে দিলে আশিস শিৰোনামেৰে প্ৰকাশ কৰিছে।

নিৰ্বাচনৰ প্ৰাকক্ষণত দল সলনি তুংগত, ৩ গৰাকী নিলম্বিত কংগ্ৰেছ বিধায়কৰ অৱশেষত বিজেপিত যোগদানৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতৰ শিৰোনাম অগপ-বিপিএফৰে বিজেপিৰ মিত্ৰতা চূড়ান্ত।

আজাৰবাইজানসন আন দেশলৈও বিয়পিছে যুদ্ধ। সেও মনা নাই ইৰাণে, মাৰ্কিন টেংকাৰত ড্ৰ'ন আক্ৰমণ শীৰ্ষক এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে ইৰানৰ ক্ষেপনাস্ত্ৰ-ড্ৰ'নৰ শক্তিয়ে চিন্তাত  পেলাইছে পেন্টাগনক। দীঘলীয়া হ'ব যুদ্ধ, উদ্বিগ্ন আমেৰিকা শিৰোনামেৰে বাতৰিটো পৰিৱেশন কৰিছে।

বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে Iran launches new wave of attacks on Israel, US bases শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সামৰিক সংঘাতৰ জৰিয়তে কোনো ধৰণৰ সমস্যা সমাধান কৰাটো সম্ভৱ নহয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা মন্তব্যৰ এটা বাতৰি **দ্যা চেণ্টিনেল** কাকতখনে সবিস্তাৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মিজোৰামৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ আৰু অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**